আজিৰ দিনটোতে—

ানন্দত শিক্ষক দিৱস।
৫১ত তবলাবাদক জাকিৰ হুছেইনৰ জন্ম।
১১ত ৩৯খন বিমানৰ পিছত স্পেচ শ্বাটল ডিস্কভাৰীয়ে অৱতৰণ কৰে।
৩৩ত অসমীয়া ৰাজনীতিবিদ প্ৰেমধৰ বৰাৰ জন্ম।
৩৪ত মহাকাশচাৰী য়ুৰি গেগেৰিনৰ জন্ম।
৩১ত ইলেক্ট্ৰন মাইক্ৰ'স্কোপ আৱিস্কাৰ।


# নিয়মীয়া বাৰ্তা

দেওবাৰ □ ২৪ ফাগুন ১৯৪৬ শক □ ৯ মাৰ্চ ২০২৫ চন □ VOL-15 □ NO-5 □ SUNDAY 9 MARCH 2025

(ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1


College, A.C.C.G. ... Estd.-1945

### 'এ আই'ৰ জ্ঞান নথকা শিক্ষকৰ শ্ৰেণীকোঠাত অচিৰেই নাথাকে শিক্ষাৰ্থী ঃ কে শ্ৰীনিৱাস

## ডিএইচএছ কানৈ মহাবিদ্যালয়ত দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৮ মাৰ্চ ঃ 'সমগ্ৰ বিশ্বতে প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব উত্তৰণ ঘটিছে। কৃত্ৰিম বুদ্ধিমত্তা, ছুপাৰ কম্পিউটাৰ, কোৱাণ্টাম প্ৰযুক্তিৰ উত্তৰণে সমগ্ৰ বিশ্বখনকে সলনি কৰি দিয়াৰ পৰিৱেশ সৃষ্টি হৈছে। কৃত্ৰিম বুদ্ধিমত্তাৰ উত্তৰণৰ ফলত আৰু মাত্ৰ কিছুদিনৰ পিছত শিক্ষানুষ্ঠানৰ শ্ৰেণীকোঠাৰ শিক্ষাৰ আমোলপৰিৱৰ্তন হ'ব। কৃত্ৰিম বুদ্ধিমত্তাই শিক্ষা, স্বাস্থ্য, যোগাযোগ, ব্যৱসায় সকলোতে পৰিৱৰ্তন আনিছে। কৃত্ৰিম বুদ্ধিমত্তাৰ জ্ঞান নথকা শিক্ষক-শিক্ষয়িত্ৰীৰ শ্ৰেণীকোঠাত কেৱল শিক্ষকহে থাকিব, তেনে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰী নাথাকি ব।' ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ কম্পিউটাৰ বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুদিনীয়া কৰ্মশালাৰ প্ৰথম দিনাৰ উদ্বোধনী অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি National Institute of Educational Planning and Administration (NIEPA) (Deemed to be University)ৰ তথ্য-প্ৰযুক্তি বিভাগৰ মুৰব্বী আৰু ই-শিক্ষণ প্ৰক্ৰিয়াৰ প্ৰকল্প ব্যৱস্থাপনা গোটৰ সভাপতি প্ৰাধ্যাপক কে শ্ৰীনিৱাসে আজি এইদৰে কয়। তেওঁ কয়— 'নতুন শিক্ষানীতিয়ে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী সকলোৰে প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব দিছে। গুণগত শিক্ষা লাভ কৰিবলৈ হ'লে প্ৰশিক্ষণৰ প্ৰয়োজন হ'বই।' এই প্ৰশিক্ষণ শিক্ষক-শিক্ষয়িত্ৰীসকলে গুণগত শিক্ষা প্ৰদান কৰিবলৈ আহৰণ কৰিব লাগিব বুলিও তেওঁ কয়। এই শিক্ষানীতিয়ে উচ্চ শিক্ষাত প্ৰযুক্তিৰ পূৰ্ণ ব্যৱহাৰ সম্পৰ্কেও উল্লেখ কৰিছে। চক এণ্ডটক শ্ৰেণীকোঠা আৰু ভৱিষ্যতে নাথাকিবগৈ। ভাৰত চৰকাৰেও এনে শিক্ষাৰ পৰিৱৰ্তে প্ৰযুক্তিৰ মাধ্যমেৰে শিক্ষা প্ৰদান কৰিবলৈ নতুন শিক্ষানীতি বলৱৎ কৰিছে। নতুন শিক্ষানীতিয়ে শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰশিক্ষণৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে বুলি কৈ তেওঁ কয় যে সাম্প্ৰতিক সময়ত বিশ্বৰ সকলোৰে স'তে হাত মিলাই আগুৱাই যাবলৈ হ'লে প্ৰযুক্তিৰ ব্যৱহাৰ পূৰ্ণাংগ ৰূপত আহৰণ কৰিব লাগিব। যিসকল অধ্যাপক-অধ্যাপিকাই নতুন শিক্ষানীতিক আঁতৰাই থৈ নিজৰ বৃত্তিত জড়িত হৈ থাকিব বিচাৰে, সেইসসকল অচল হৈ পৰিব বুলিও তেওঁ কয়। নতুন শিক্ষানীতিত ন-ন শিক্ষা, জ্ঞান আহৰণ কৰিবলৈ ম'ক আৰু ছয়ম পদ্ধতিৰ যোগেদি কেন্দ্ৰীয় চৰকাৰে সুবিধা কৰি দিছে। এনে সুবিধাক গ্ৰহণ কৰাসকলে এবিচি একাউণ্টৰ মাধ্যমেৰে ক্ৰেডিট লাভ কৰিব বুলিও তেওঁ কয়। তেওঁ কয় যে দেশৰ অধিকাংশ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে ম'ক আৰু ছয়মৰ সুবিধা গ্ৰহণ কৰিবলৈ এতিয়াও শিকা নাই। এনে পাঠ্যক্ৰমত বৃত্তিমূলক পাঠ্যক্ৰম অন্তৰ্ভুক্ত হৈ থকা বুলিও তেওঁ কয়। মুখ্যদ্বাৰৰ পৰা গায়ন-বায়ন, এনচিচি কেডেটে উষ্ম আদৰণি জনাই সভাগৃহলৈ অনা অনুষ্ঠানটিত তেওঁ .শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সূক্ষ্ম ভাবনা, সমস্যা সমাধান, গ্ৰহণযোগ্যতা, কলাসুলভ চিন্তা, অনুভৱী চিন্তা নাথাকিলে সেইসকলে সময়ৰ স'তে খাপ খুৱাই আগুৱাই যাব নোৱাৰে বুলি উল্লেখ কৰি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি কয় যে এইখিনি জ্ঞানৰ অবিহনে বৰ্তমান সময়ত তুমি অচল, তুমি কেতিয়াও, ক'তো সংস্থাপনৰ বাবে যোগ্য নহয়। নৃতত্ত্ব বিভাগৰ অধ্যাপিকা ড° মৰমী তালুকদাৰে আঁত ধৰা অনুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণি ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই কয়— 'সময়ৰ লগত হাত মিলাই শিক্ষা, জ্ঞান, দক্ষতা আহৰণ কৰিব নোৱাৰা বহু জাতি পৃথিৱীৰ পৰা বিলুপ্ত হৈ গৈছে।' তেওঁ এই প্ৰসংগত উল্লেখ কৰে মায়া সভ্যতা, ৰোমান সাম্ৰাজ্য, ইষ্টাৰ দ্বীপৰ বাসিন্দা, এনকা সভ্যতা পৃথিৱীৰ পৰা হেৰাই গ'ল। এই সভ্যতা আৰু জাতিসমূহ পৃথিৱীৰ পৰা হেৰাই যোৱাৰ মূল কাৰণটো হ'ল সেইসকলে নিজকে সৰ্বশক্তিশালী বুলি অনুভৱ কৰিছিল আৰু নতুন কথা, নতুন জ্ঞান আহৰণ কৰিবলৈ অনিহা কৰিছিল। ফলত এসময়ত শৌৰ্য, বীৰ্যৰে শক্তিশালী এই সভ্যতাসমূহ, জাতিসমূহ আজি পৃথিৱীৰ পৰা বিলুপ্ত হৈ গ'ল বুলি তেওঁ আক্ষেপ প্ৰকাশ কৰে। সেয়ে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক নতুন নতুন চিন্তা, জ্ঞান আহৰণ কৰি নিজকে হেৰাই যোৱাৰ পৰা ৰক্ষা কৰিবলৈ আহ্বান জনায়। ইয়াৰ পিছতে সমল ব্যক্তিগৰাকীয়ে মহাবিদ্যালয়ৰ কম্পিউটাৰ কেন্দ্ৰত হাতে-কামে অংশগ্ৰহণকাৰীসকলক কৃত্ৰিম বুদ্ধিমত্তাৰ ন-ন পৰিৱৰ্তন, সম্ভাৱনা আৰু প্ৰত্যাহ্বানসমূহৰ বিষয়ে বক্তব্য ৰাখে। অনুষ্ঠানত বুৰঞ্জী বিভাগৰ অধ্যাপক অভিজিত বৰুৱা, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈকে ধৰি কানৈ মহাবিদ্যালয়ৰ লগতে ডিব্ৰুগড় জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানতে সমল ব্যক্তি প্ৰাধ্যাপক কে শ্ৰীনিৱাসক ফুলাম গামোচা, চেলেং চাদৰ, সম্বৰ্ধনা-পত্ৰ, অনুষ্ঠানৰ স্মৃতি বিজড়িত স্থিৰচিত্ৰৰে উষ্ম সম্বৰ্ধনা জনোৱা হয়। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে।